২) **ঠেক খণ্ডত খেতি (ষ্ট্ৰিপ ক্ৰপিং) ঃ** এক নিশ্চিত ঢালৰ সৈতে মাটিৰ সীমাসূচক ঠেক খণ্ডত খেতি কৰাটো ভূমি সংৰক্ষণৰ আন এটা কৌশল। ঠেক খণ্ডৰ খেতিক শস্যাৱৰ্তনৰ সৈতে সংযোজিত কৰিব লাগে।

৩) **আশ্ৰয় বেল্ট (চেল্টাৰ বেল্টচ) ঃ** এইবোৰ হ'ল গছ-গছনিৰ 'সেউজীয়া বেল্ট' যিবোৰে তীব্ৰ বতাহৰ বল হ্ৰাস কৰাত সহায় কৰে আৰু এইদৰে ন্যূনতম ওপৰৰ মাটিসমূহ উৰি যোৱাত বাধা দিয়ে বা ধৰি ৰাখে।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ জল সংৰক্ষণৰ বাবে গ্ৰহণ কৰা পদ্ধতিবোৰ তলত উল্লেখ কৰা হ'ল—

১) **সঠিক জল বিতৰণ ঃ** জল সংৰক্ষণৰ এটা গুৰুত্বপূৰ্ণ কৌশল হ'ল সঠিক জল বিতৰণ। সঠিক জল বিতৰণে পানীৰ অপব্যৱহাৰ আৰু অপচয়ক এইদৰে পৰীক্ষা কৰিব— পানীক প্ৰদূষণৰ পৰা মুক্ত ৰাখিবলৈ পাইপৰ ব্যৱস্থা কৰি, পানীৰ ভাণ্ডাৰ ডাঙৰ কৰি, পানীৰ চাফ-চিকুনতাক তত্বাৱধান কৰি।

২) **ভূগৰ্ভস্থ জলৰ আৱৰ্তন ব্যৱহাৰ ঃ** পানীৰ প্ৰধান উৎস হ'ল ভূগৰ্ভস্থ জল বিশেষকৈ নিৰ্জল আৰু অৰ্ধ-নিৰ্জল এলেকাসমূহত। জল সম্পদক সংৰক্ষণ কৰিবৰ বাবে, পানীৰ সঠিক আৰু সীমিত ব্যৱহাৰ কৰাটো প্ৰয়োজনীয় আৰু পানীৰ উপলভ্যতা মূল্যয়ন কৰিবৰ বাবে এলেকাসমূহত ভূতাত্বিক আৰু জলবিজ্ঞানৰ জৰীপ কৰিব লাগে।

৩) **পেলনীয়া জলৰ সংশোধন ঃ** জল সংৰক্ষণৰ এইটো আন এক ব্যৱহাৰিক কৌশল। অতিৰিক্ত পানীৰ ব্যৱহাৰে এনে অৱস্থাৰ সৃষ্টি কৰে যে আমাৰ দৈনন্দিন জীৱনত ব্যৱহাৰৰ বাবে বিশেষকৈ মহানগৰসমূহত আমি পানী কিনিব লাগে। ইয়াৰ পৰিণাম ইমান প্ৰতিকূল হৈ গৈ আছে যে এদিন আমি পানীৰ অবিহনে মৰিব লাগিব। সেই কাৰণে, আমাৰ ভৱিষ্যতক এনে পৰিস্থিতিৰ পৰা ৰক্ষা কৰিবলৈ, আমি পেলনীয়া পানীক সংশোধনৰ দ্বাৰা পুনৰ ব্যৱহাৰ কৰিব লাগে। পেলনীয়া পানীক চিকিৎসা কৰাৰ বহুতো যান্ত্ৰিক আহিলা থাকে। এইবোৰে জলক সংশোধিত কৰাত সহায় কৰে আৰু ইয়াৰ দ্বাৰা জল সম্পদ সংৰক্ষণত সহায় কৰে।

৪) **বন ধ্বংসৰ ওপৰত নিয়ন্ত্ৰণ ঃ** খৰাং আৰু বৰষুণ কম হোৱাৰ এটা কাৰণ হ'ল গছ-গছনিৰ ধ্বংস। সেইকাৰণে বন ধ্বংসৰ ওপৰত নিয়ন্ত্ৰণ ৰাখিলে জলৰ সংকটটো সমাধান কৰিব পাৰি।



১৩.১০ আৰ্হি প্ৰশ্ন

ক) চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ প্ৰাকৃতিক সম্পদ শব্দৰ অৰ্থ ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ প্ৰাকৃতিক সম্পদ কি কি প্ৰকাৰৰ উদাহৰণৰ সৈতে লিখক।

প্ৰশ্ন ৩ ঃ সম্পদ সংৰক্ষণৰ সাধাৰণ পদ্ধতিবোৰ কি কি?

প্ৰশ্ন ৪ ঃ জল সংৰক্ষণ কৰাটো কিয় প্ৰয়োজনীয়?

খ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ বন সংৰক্ষণৰ বাবে লোৱা উপায়সমূহ আলোচনা কৰক।

প্ৰশ্ন ২ ঃ প্ৰকৃতিক পৰিৱেশ সংৰক্ষণৰ প্ৰভাৱ মানুহৰ জীৱনৰ ওপৰত কেনেকৈ পৰে? আপোনাৰ মতামত লিখক।

*** ***** ***